**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 04-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। ভাৰতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় বন্দৰত পাকিস্তানী জাহাজৰ প্ৰৱেশ নিশিদ্ধ কৰিছে।

২। আফ্ৰিকীয় ৰাষ্ট্ৰসমূহৰ সৈতে পাৰস্পৰিকভাৱে লাভদায়ক আৰু স্থায়ী সহযোগিতাৰ বাবে ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

৩। সমগ্ৰ দেশ আৰু বিদেশৰ ১৩ খন চহৰৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত আজি দিনৰ ২ বজাৰ পৰা বিয়লি ৫ বজালৈ নীট-ইউ জি অনুষ্ঠিত হ'ব।

৪। পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌহদত আজি আকৰ্ষণীয় অনুষ্ঠানেৰে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱ ২০২৫ আৰম্ভ হ'ব।*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ২ ৰানত পৰাস্ত কৰে।

ooooo

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতে ভাৰতীয় বন্দৰত পাকিস্তানী জাহাজৰ প্ৰৱেশ নিশিদ্ধ কৰিছে। ভাৰতীয় জাহাজসমূহকো পাকিস্তানী বন্দৰত প্ৰৱেশ কৰাৰ পৰা বাৰণ কৰা হৈছে। জাহাজ পৰিবহন সঞ্চালকালয়ে এটা বিবৃতিযোগে কৈছে যে পাকিস্তানী পতাকা বহন কৰা কোনো জাহাজক ভাৰতীয় বন্দৰত প্ৰৱেশ কৰাৰ অনুমতি দিয়া নহ'ব।

ooooo

আফ্ৰিকীয় ৰাষ্ট্ৰসমূহৰ সৈতে পাৰস্পৰিকভাৱে লাভদায়ক আৰু স্থায়ী সহযোগিতাৰ বাবে ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত আংগোলাৰ ৰাষ্ট্ৰপতি জ'আয়' লৰেংকোক সাক্ষাৎ কৰে আৰু তেওঁৰ সন্মানাৰ্থে নৈশ ভোজমেলৰ আয়োজন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে আংগোলাসহ আফ্ৰিকীয় দেশসমূহৰ সৈতে ভাৰতৰ বিশেষ বন্ধুত্ব আছে। তেওঁ লগতে আফ্ৰিকাত শান্তি, সুৰক্ষা আৰু সুস্থিৰতাৰ প্ৰসাৰৰ ক্ষেত্ৰত আংগোলাই পালন কৰি অহা গুৰুত্বপূৰ্ণ ভূমিকাৰ শলাগ লয়। শ্ৰীমতী মুৰ্মুৱে কয়, যে সন্ত্ৰাসবাদ সমগ্ৰ মানৱজাতিৰ বাবে গুৰুতৰ প্ৰত্যাহ্বান আৰু ইয়াক দ্ব্যৰ্থহীনভাৱে গৰিহনা দিয়া উচিত। পেহেলগাম

সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হোৱা লোকসকলৈ জ্ঞাপন কৰা সমবেদনাৰ বাবে শ্ৰী লৰেংকোক তেওঁ ধন্যবাদ জনায়। বৈঠকত দুয়োগৰাকী নেতাই উভয় ৰাষ্ট্ৰই অকল ৰাষ্ট্ৰদুখনৰেই নহয় বৰং গ্লোবেল ছাউথ হিচাপে জনাজাত ঔদ্যোগীক আৰু অৰ্থনৈতিক দিশৰ পৰা তুলনামূলকভাৱে পিছপৰা ৰাষ্ট্ৰসমূহৰ জনসাধাৰণৰ প্ৰগতি আৰু কল্যাণৰ বাবে কাম কৰা উচিত বুলি মত পোষণ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় সমবায় ৰপ্তানি লিমিটেড- এন চি ই এল, ৰাষ্ট্ৰীয় সমবায় জৈৱিক লিমিটেড- এন চি অ' এল আৰু ভাৰতীয় বীজ সমবায় সমিতি লিমিটেডৰ অগ্ৰগতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত শ্ৰী শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমবায় ৰপ্তানি, জৈৱিক সামগ্ৰীৰ উৎপাদন আৰু গুণগত বীজৰ প্ৰসাৰৰ মূল সংস্থা হিচাপে ২০২৩ চনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই সমবায় প্ৰতিষ্ঠানকেইটা স্থাপন কৰা হৈছিল। তেওঁ কয়, যে সংশ্লিষ্ট মন্ত্ৰালয়, বিভাগ আৰু সংস্থাসমূহৰ সহযোগত সমগ্ৰ চৰকাৰ দৃষ্টি ভংগীৰে এই উদ্যমসমূহ পৰিচালনা কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে সম্প্ৰতি ভাৰতৰ পৰা ৰপ্তানি নোহোৱা তিনিবিধ নতুন সামগ্ৰীৰ ওপৰত গুৰুত্ব আৰোপেৰে ৰাষ্ট্ৰীয় সমবায় ৰপ্তানি লিমিটেড- এন চি ই এলৰ বাবে দুই লাখ কোটি টকাৰ সামগ্ৰী ৰপ্তানিৰ অভিলাসী লক্ষ্য নিৰ্ধাৰণ কৰে। তেওঁ ডাইলৰ আমদানীৰ বাবে আফ্ৰিকা আৰু ম্যানমাৰত ৰাষ্ট্ৰীয় সমবায় ৰপ্তানি লিমিটেডৰ কাৰ্যালয় স্থাপন কৰাৰ পৰামৰ্শ আগবঢ়ায়।

০০০০০

জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত এয়া প্ৰধানমন্ত্ৰীৰ সৈতে শ্ৰী আব্দুল্লাৰ প্ৰথমখন বৈঠক। জম্মু-কাশ্মীৰ নেচনেল কনফাৰেন্স দলে সামাজিক মাধ্যমযোগে নেতা দুগৰাকীৰ মাজৰ এই বৈঠকৰ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণকে ধৰি বিভিন্ন বিষয়লৈ আলোচনা হোৱা বুলি প্ৰকাশ কৰিছে।

০০০০০

এতিয়া শুকন ৰেভছ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন সন্মিলন ৰেভছৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা চলচ্চিত্ৰ নিৰ্মাণ সন্দৰ্ভত কেইবাটাও সত্ৰৰ আয়োজন কৰা হ'ব আৰু সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বৃহস্পতিবাৰে এই চাৰিদিনীয়া সন্মিলন মুকলি কৰিছিল। ভাৰতবৰ্ষক সংবাদ, মনোৰঞ্জন আৰু ডিজিটেল উদ্ভাৱনৰ গোলকীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে আয়োজন কৰা এই সন্মিলনত ৯০ খনকো অধিক দেশৰ প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে অংশ লয়।

*(মনতাজ)*

০০০০০

সমগ্ৰ দেশ আৰু বিদেশৰ ১৩ খন চহৰৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত আজি দিনৰ ২ বজাৰ পৰা বিয়লি ৫ বজালৈ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপন তথা প্ৰৱেশ পৰীক্ষা নীট-ইউ জি অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰা মতে এই পৰীক্ষাৰ বাবে ২২ লাখ ৭০ হাজাৰৰো অধিক প্ৰাৰ্থীয়ে নাম পঞ্জীয়ন কৰিছে। এই পৰীক্ষা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

ছিংগাপুৰত দীৰ্ঘদিন ধৰি শাসনত থকা পিপলছ্ এক্সন পাৰ্টীয়ে সাধাৰণ নিৰ্বাচনত পুনৰ জয়ী হৈছে। দেশখনৰ নিৰ্বাচন বিভাগে ঘোষণা কৰা মতে প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ পিপলছ্ এক্সন পাৰ্টীয়ে ৮২ খন সংসদীয় আসন লাভ কৰিছে। দলটোৱে ৫ খন আসনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। ইয়াকে ধৰি দলটোৱে মুঠ ৯৭ খন আসনৰ ভিতৰত ৮৭ খন আসন লাভ কৰিছে। আনহাতে ৱৰ্কাৰ্ছ পাৰ্টীয়ে ১০ খন আসন লাভ কৰিছে। উল্লেখযোগ্য যে, পিপলছ্ এক্সন পাৰ্টীয়ে নিৰ্বাচনত ৬৫ দশমিক ৬ শতাংশ ভোট লাভ কৰিবলৈ সক্ষম হৈছে।

০০০০০

ভাৰতীয় ৰে'লে চাৰিধাম যাত্ৰাৰ বাবে ভাৰত গৌৰৱ ডিলাক্স ৰে'ল সেৱা আৰম্ভ কৰিছে। এই ৰে'লসেৱাই বদ্ৰীনাথ, যোশীমথ, ঋষিকেশ, পুৰী, কোনাৰ্ক, ৰামেশ্বৰম, দ্বাৰকাৰ লগতে কাশী-বিশ্বনাথ, ভীমশংকৰ, ত্ৰিম্বাকেশ্বৰকে ধৰি বিভিন্ন ধৰ্মীয় স্থানক সামৰি ল'ব। এই ৰে'লে মুঠ ৮ হাজাৰ ৪২৫ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিব। এই বিশেষ ৰে'লখনে অহা ২৭ মে'ত দিল্লীৰ ছফদৰজং ৰে'ল ষ্টেচনৰ পৰা যাত্ৰা আৰম্ভ কৰি ১৭ দিনৰ ভিতৰত চাৰি ধামৰ লগতে অন্যান্য ধৰ্মীয় স্থানসমূহ সামৰি ল'ব।

০০০০০

বিহাৰৰ ৰাজধানী পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌহদত আজি বিয়লি আকৰ্ষণীয় অনুষ্ঠানেৰে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱ ২০২৫ আৰম্ভ হ'ব। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই এই মহোৎসৱৰ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' বাৰ্তাযোগে প্ৰতিযোগিতাত ভাগ লোৱা এথলিটসকলক উদ্দেশি ভাষণ দিব।

১৫ মে'লৈ হ'বলগীয়া এই প্ৰতিযোগিতাত ১৮ বছৰ অনুৰ্ধৰ ৮ হাজাৰ ৫০০ ৰো অধিক প্ৰতিভাবান খেলুৱৈয়ে ২৮ টা শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিহাৰৰ পাটনা, ৰাজগীৰ, গয়া, ভাগলপুৰ আৰু বেগুচৰাইসহ ছখন চহৰত প্ৰতিযোগিতাৰ ২৮ টা শিতানৰ খেল অনুষ্ঠিত হ'ব। তিনিটা শিতানৰ খেল নতুন দিল্লীত খেলোৱা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ খেল' ইণ্ডিয়া উদ্যমৰ অধীনৰ এই প্ৰতিযোগিতাৰ এইবাৰৰ সপ্তম সংস্কৰণত প্ৰায় পাঁচ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

প্ৰতিযোগিতাত সেনা বাহিনীৰ উপৰি দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই খেলুৱৈসকলে ২৮ টা শিতানত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। নতুন দিল্লীত শ্বুটিং, জিমনাষ্টিকছ্ আৰু ট্ৰেক চাইক্লিং শিতানৰ খেলসমূহ অনুষ্ঠিত হ'ব। বাকী শিতানৰ খেলসমূহ বিহাৰত খেলোৱা হ'ব। পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌদহত আজি আকৰ্ষণীয় অনুষ্ঠানেৰে এই ক্ৰীড়া প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। আজিয়ে কাবাডী, আৰ্চাৰী আৰু ভলীবলৰ খেলসমূহ আৰম্ভ হ'ব।

আকাশবাণীয়ে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া বিৱৰণী প্ৰচাৰ কৰিব। বিয়লি ৫ বাজি ৫৫ মিনিটৰ পৰা এই বিবৰণী প্ৰচাৰ কৰা হ'ব। নিউজ অন এ আই আৰ ম'বাইল এপ, প্ৰসাৰ ভাৰতী স্পোৰ্টছ্ ইউটিউব চেনেল আৰু ডিটিএইছ্ যোগে এই বিৱৰণী শুনিবলৈ পোৱা যাব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলৰ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ২ ৰানত পৰাস্ত কৰে। বেংগালুৰুৱে প্ৰথমে বেট ধৰি ৰোমাৰিঅ'

ছেফাৰ্ডৰ আকৰ্ষণীয় অৰ্ধশতকৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২১৩ ৰান সংগ্ৰহ কৰে। ছেফাৰ্ডে ১৪ টা বলত ৫৩ ৰান কৰি আউট নোহোৱাকৈ থাকে।  চেন্নাইৰ হৈ মথেচা পথিৰানাই ৩ টা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। চেন্নাইৰ হৈ আয়ুষ ম্হাত্ৰে ৪৮ টা বলত ৯৪ ৰান কৰে। ৰবীন্দ্ৰ জাডেজাই ৪৫ টা বলত ৭৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। বেংগালুৰুৰ লুংগি এনগিডিয়ে ৩ টা উইকেট অৰ্জন কৰে। ছেফাৰ্ডক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। কালিৰ জয়ৰ সুবাদত বেংগালুৰুৱে ১৬ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হয়। চেন্নাই ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইডেন গাৰ্ডেনছত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

ooooo

সমাপ্ত